**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-08-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ শেহতীয়াকৈ উচ্ছেদ অভিযান চলোৱা বিদ্যাপুৰত আজি অসম আৰু নাগালেণ্ড চৰকাৰে এখন বৈঠকত মিলিত হয়। দুয়োখন ৰাজ্যৰ জনপ্ৰতিনিধি তথা প্ৰশাসনিক বিষয়াসকলে উচ্ছেদিত স্থান আৰু গছপুলি ৰোপণ কাৰ্যসূচী পৰিদৰ্শন কৰে। নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী ৱাই পেট্টন, ভাণ্ডাৰী সমষ্টিৰ বিধায়ক আছাম্বেঅ’ কিকন, ঊষা সমষ্টিৰ বিধায়ক ৱাই মহেম’ ন’বেঅ’ হুমেছেৰ উপৰি ৰাজ্যখনৰ কেইবাগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়াই সমগ্ৰ পৰিস্থিতি নিৰীক্ষণ কৰে । অসম চৰকাৰৰ হৈ বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, স্থানীয় বিধায়ক বিশ্বজিৎ ফুকন, গোলাঘাট জিলা আয়ুক্ত পুলক মহন্ত আৰু আৰক্ষী অধীক্ষক ৰাজেন সিঙৰ লগতে বন বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। দুয়োখন চৰকাৰৰ প্ৰতিনিধিসকলৰ উপস্থিতিত উচ্ছেদিত অঞ্চলসমূহত গছপুলি ৰোপণ কৰা হয়।

ইপিনে, উচ্চতম ন্যায়ালয়ে উৰিয়ামঘাটৰ উচ্ছেদ অভিযানত স্থগিতাদেশ জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে ৭৩ টা পৰিয়ালে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ পি নৰসিমহা আৰু অতুল চন্দুকাৰৰ বিচাৰপীঠে পৰৱৰ্তী শুনানি পৰ্যন্ত এই স্থগিতাদেশ জাৰি কৰে। উচ্চতম ন্যায়ালয়ে এই সন্দৰ্ভত অসম চৰকাৰ আৰু গোলাঘাট জিলা প্ৰশাসনলৈ জাননী জাৰি কৰিছে।

গোৱালপাৰা জিলা প্ৰশাসনে আজি মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাক্ষসিনী অঞ্চলত উচ্ছেদ অভিযান চলাই ১০৫ খন ব্যৱসায়িক প্ৰতিষ্ঠান উচ্ছেদ কৰে। গোৱালপাৰা চহৰৰ ময়লাপথাৰ বজাৰৰ পৰা শিল বজাৰলৈকে লোকনিৰ্মাণ বিভাগৰ পথৰ কাষত চৰকাৰী মাটি দখল কৰি দীৰ্ঘদিনৰ পৰা ব্যৱসায় চলাই অহা এই প্ৰতিষ্ঠানসমূহক সেই ঠাই এৰি যাবলৈ প্ৰশাসনে পূৰ্বেই জাননী জাৰি কৰিছিল। কিন্তু ব্যৱসায়-প্ৰতিষ্ঠানসমূহে সেই ভূমি ত্যাগ নকৰাত প্ৰশাসনে উচ্ছেদ চলায়।

নগাঁও জিলা প্ৰশাসনেও ধিং ৰাজহ চক্ৰৰ অধীনৰ ডাগৰ আৰু আলিটাঙনি মৌজাৰ জেঙনি তিনিআলিত উচ্ছেদৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। অহা ২৭ আগষ্টত এই অঞ্চলকেইটাত উচ্ছেদ অভিযান চলোৱা হ’ব।

০০০০০০০

শিৱসাগৰ জিলা অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি শিৱসাগৰ নগৰৰ সমীপৰ জয়সাগৰত থকা শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ নৱ নিৰ্মিত শিশু আৰু মাতৃ সেৱা কোষৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ চৌহদতে প্ৰায় ৭ কোটি টকা ব্যয়েৰে নিৰ্মিত মাতৃ আৰু শিশু সেৱা কোষ আনুষ্ঠানিকভাৱে মুকলি কৰি এই কোষৰ পৰা গৰ্ভৱতী মহিলাসকল উপকৃত হব বুলি মন্ত্ৰী ডাঃ পেগুৱে আশা প্ৰকাশ কৰে। এই ভ্ৰমণতে ডাঃ পেগুৱে চিকিৎসালয়খন পৰিদৰ্শন কৰি আন্তঃগাথনি আৰু বিভিন্ন অভাৱ অভিযোগৰ বুজ লয়। তেওঁ চিকিৎসালয়খনৰ পৰিচালনা ব্যৱস্থা, স্বাস্থ্য সেৱা আৰু বিভিন্ন চিকিৎসা সা-সৰঞ্জামৰ অৱস্থা সম্পৰ্কে পৰ্যালোচনা কৰে। ডাঃ পেগুৱে চিকিৎসক, চিকিৎসা কৰ্মী আৰু কৰ্মচাৰীসকলৰ সৈতেও মত বিনিময় কৰি স্বাস্থ্য সেৱাৰ গুণগত মান উন্নত কৰাৰ বাবে ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি মন্তব্য কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জাগীৰোডত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্ম-সহায়ক গোটৰ ৩৭ হাজাৰতকৈ অধিক মহিলাক ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰে। এই উপলক্ষে মৰিগাঁৱৰ জাগীভকত গাঁৱত আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে মৰিগাঁও জিলাৰ জাগীৰোড সমষ্টিৰ ৩৮ হাজাৰ উদ্যমী মহিলাক আৰ্থিকভাৱে সবল কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টা ৰাজ্যৰ ভিতৰতে একক আৰু অনন্য। তেওঁ কয়, যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে ৰাজ্যখনৰ মহিলাসকলৰ বাবে স্বাৱলম্বিতাৰ বাট প্ৰশস্ত কৰাৰ প্ৰয়াস কৰা হৈছে। বৰ্তমান সময়ত প্ৰতিখন আঁচনি প্ৰতিশ্ৰুতিৰ পৰা

আৰম্ভ হৈ কাৰ্যত পৰিণত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে বিশেষকৈ নাৰী সৱলীকৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি কেৱল নীতি নহয়, বৰং এই দিশত এটা সবল পদক্ষেপ। ড° শৰ্মাই অৰুণোদয় আৰু নিযুত মইনাৰ দৰে অভিলাষী আঁচনিসমূহৰ লগতে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানে ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নক নতুন গতি প্ৰদান কৰিব বুলি উল্লেখ কৰে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী শৰ্মাই আজি মায়ঙৰ ভকতগাঁৱত জাগীৰোড সম জিলা আয়ুক্ত কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পই প্ৰশাসনিক আন্তঃগাঁথনি শক্তিশালী কৰাৰ উপৰি জনসাধাৰণে কম সময়ৰ ভিতৰত উপযুক্ত সেৱা লাভ কৰাটো নিশ্চিত কৰিব বুলি আশা কৰা হৈছে। ড° শৰ্মাই আজি জাগীৰোডৰ টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলীত ১৪২ কোটি টকা ব্যয়সাপেক্ষে কৰ্মজীৱী মহিলাৰ এটা আৱাসৰ আধাৰশিলা স্থাপন কৰে। ৮৩০ খন বিছনাযুক্ত ১০ মহলীয়া এই আৱাসগৃহত আধুনিক আন্তঃগাঁথনি, পৰিৱেশ অনুকুল ব্যৱস্থা তথা চাইকেল চলোৱাৰ বাবে উপযুক্ত ব্যৱস্থা থাকিব।

০০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে যোৱা ২০ আগষ্টৰ পৰা আয়োজন কৰা প্ৰশিক্ষণ কৰ্মশালাৰ আজি সামৰণি পৰে। এই প্ৰশিক্ষণত ৰাজ্যখনৰ কেন্দ্ৰীয় বিদ্যালয়ৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অৰ্থ সাহায্যত অনুষ্ঠিত এই প্ৰশিক্ষণ কৰ্মশালা যোৰহাটৰ উত্তৰ-পূব বিজ্ঞান প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সঞ্চালক ড° বীৰেন্দ্ৰমণি তিৱাৰীয়ে উদ্বোধন কৰে। এই কৰ্মশালাত পৰিৱেশ তথা বন সংৰক্ষণৰ সৈতে জড়িত বিভিন্ন বিষয় সম্পৰ্কে অৱগত কৰোৱা হয়।

০০০০০০০

সমগ্ৰ দেশতে আজি দ্বিতীয় ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰা হয়। ২০২৩ চনৰ ২৩ আগষ্টত চন্দ্ৰযান-৩ অভিযানৰ বিক্ৰম লেণ্ডাৰৰ সফল অৱতৰণ আৰু চন্দ্ৰত প্ৰজ্ঞান ৰ'ভাৰ সফলভাৱে স্থাপনক সুঁৱৰি এই দিৱস পালন কৰা হয়।

দেশৰ অন্য প্ৰান্তৰ লগতে বিশ্বনাথ জিলাৰ বিহালী স্নাতক মহাবিদ্যালয়ত পঞ্চম অসম বেটেলিয়নৰ এন চি চি তেজপুৰৰ উদ্যোগত ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হয়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক দেবেন্দ্ৰ চন্দ্ৰ বৰুৱাই ভাগ লয়। কৰ্ণেল টি এন উন্নীকৃষ্ণণ, মহাবিদ্যালয়ৰ অধ্যক্ষ ৰমেন  বৰাকে ধৰি মহাবিদ্যালয়খনৰ অধ্যাপকৰ লগতে ৩ শতাধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মহাবিদ্যালয়ৰ এন চি চি গোটৰ শিক্ষাৰ্থীসকলে এখন সজাগতামূলক নাট প্ৰদৰ্শন কৰে।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জাগীৰোডৰ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ পাছত নগাওঁ জিলাৰ বেবেজীয়াৰ ডিমুত নিৰ্মাণ কৰা নগাঁও চহৰৰ প্ৰৱেশপথৰ এখন আদৰণি তোৰণ আনুষ্ঠানিকভাৱে মুকলি কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী শৰ্মাই জামুগুৰিত নিৰ্মাণ কৰা ভাৰতৰ স্বাধীনতা আন্দোলনৰ শ্বহিদ মনবৰ নাথৰ এটা প্ৰতিমুৰ্তি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মুৰ্তিটো উদ্বোধন কৰি ড° শৰ্মাই মনবৰ নাথৰ আত্মত্যাগ তথা দেশপ্ৰেমক শ্ৰদ্ধাৰে সোঁৱৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণতে নগাঁৱৰ গৰখীয়া থানৰ আন্তঃগাথনিৰ উন্নয়নৰ বাবে ২০ লাখ টকাৰ অনুদানো ঘোষণা কৰে।

০০০০

**সমাপ্ত**